**PREVIEW QUESTION BANK**

**Module Name : NCET - ASS**
**Exam Date : 10-Jul-2024 Batch : 14:00-17:00**

| Sr. No. | Client Question ID | Question Body and Alternatives | Marks | Negative Marks |
|---|---|---|---|---|
| Objective Question | | | | |
| 1 | 1601 | তলৰ কোনকেইটা উক্তি শুদ্ধ?<br>(A) চাৰি বৰ্ণৰ শ্ৰেণী বিভাজন গোটেই ভাৰতবৰ্ষৰ বাবে উমৈহতীয়া।<br>(B) জাতি বিভাজন গোটেই ভাৰতবৰ্ষতে সমধৰ্মীয়।<br>(C) চাৰি বৰ্ণৰ শ্ৰেণী বিভাজন ৰাজ্য অনুসৰি সলনি হয়।<br>(D) জাতিৰ পদানুক্ৰমত বহুতো স্থানীয় শ্ৰেণীবিভাজনো থাকে যিবোৰ অঞ্চল অনুসৰি বেলেগ বেলেগ হয়।<br>(E) Caste শব্দটো পৰ্তুগীজ শব্দ 'casta' ৰ পৰা আহিছে।<br>নিম্নোক্ত বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছনি কৰক :<br>(1) কেৱল (B), (C), (D)<br>(2) কেৱল (C), (D), (A)<br>(3) কেৱল (A), (C), (E)<br>(4) কেৱল (A), (D), (E)<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |
| Objective Question | | | | |
| 2 | 1602 | তালিকা **I** ক তালিকা **II** ৰ সৈতে মিলাওক।<br>**তালিকা I (কিতাপ)** — **তালিকা II (লেখক)**<br>(A) আনকোৰাইট বুডছ — (I) অমৰ্ত্য সেন<br>(B) ইণ্ডিয়াজ কমিউনিকেচন ৰিভলিউচন — (II) এম.এছ.এ. ৰাও<br>(C) দ্য আৰগুমেন্টেটিভ ইণ্ডিয়ান — (III) ৰামচন্দ্ৰ গুহ<br>(D) আৰবান চছিয়লজি ইন ইণ্ডিয়া — (IV) অৰবিন্দ সিংহল আৰু ই.এম. ৰজাৰ্ছ<br>নিম্নোক্ত বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছনি কৰক :<br>(1) (A)-(IV), (B)-(III), (C)-(II), (D)-(I)<br>(2) (A)-(III), (B)-(IV), (C)-(I), (D)-(II)<br>(3) (A)-(I), (B)-(II), (C)-(IV), (D)-(III)<br>(4) (A)-(II), (B)-(I), (C)-(III), (D)-(IV)<br><br>A1 : 1<br><br>A2 : 2 | 4.0 | 1.00 |

A3 : 3

A4 : 4

Objective Question

| 3 | 1603 | | 4.0 | 1.00 |
|---|---|---|---|---|

তালিকা I ক তালিকা II ৰ সৈতে মিলাওক।

| | তালিকা I | | তালিকা II |
|---|---|---|---|
| (A) | কেৰেলাৰ ইড়াভা সম্প্ৰদায় | (I) | চিপকো আন্দোলন |
| (B) | দচৌলি গ্ৰাম স্বৰাজ সংঘ (DGSS) | (II) | মহাত্মা গান্ধী |
| (C) | চম্পাৰণ সত্যাগ্ৰহ | (III) | বি.পি. ৱাডিয়া |
| (D) | প্ৰথম ট্ৰেড ইউনিয়ন | (IV) | শ্ৰী নাৰায়ণ গুৰু |

নিম্নোক্ত বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছনি কৰক :

(1) (A)-(IV), (B)-(III), (C)-(II), (D)-(I)
(2) (A)-(IV), (B)-(I), (C)-(II), (D)-(III)
(3) (A)-(III), (B)-(I), (C)-(II), (D)-(IV)
(4) (A)-(I), (B)-(II), (C)-(III), (D)-(IV)

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 4 | 1604 | | 4.0 | 1.00 |
|---|---|---|---|---|

তালিকা I ক তালিকা II ৰ সৈতে মিলোৱা।

| | তালিকা I | | তালিকা II |
|---|---|---|---|
| (A) | ছ'প অপেৰা | (I) | বৰ্ল্ড ৱাইড ৱেব |
| (B) | গ্ল'বেল কমিউনিকেচন | (II) | হাম ল'গ |
| (C) | ৰিয়েলিটি শ্ব' | (III) | ৰেড এফএম |
| (D) | লিভিং মিডিয়া গ্ৰুপ | (IV) | বিগ বচ |

নিম্নোক্ত বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছনি কৰক :

(1) (A)-(II), (B)-(I), (C)-(IV), (D)-(III)
(2) (A)-(I), (B)-(II), (C)-(III), (D)-(IV)
(3) (A)-(IV), (B)-(III), (C)-(II), (D)-(I)
(4) (A)-(III), (B)-(IV), (C)-(I), (D)-(II)

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

5 1605 4.0 1.00

**তলত দিয়া উদ্ধৃত অংশটো পঢ়ক আৰু প্ৰশ্নৰ উত্তৰ দিয়ক।**

ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিৰ ভিত্তি হ'ব এটা ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সম্পৰ্কীয় পৰিগাঁথনি, য'ত থাকে এটা উমৈহতীয়া মৰ্মাংশ আৰু লগতে থাকে আন উপাংশসমূহ যিবোৰ হ'ল শিথিল। উমৈহতীয়া মৰ্মাংশত সন্নিৱিষ্ট কৰা হ'ব ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস, সাংবিধানিক বাধ্যবাধকতাসমূহ আৰু আন সেইবোৰ বিষয়বস্তু যিবোৰ হ'ল ৰাষ্ট্ৰীয় পৰিচয়ৰ প্ৰতিপালনৰ বাবে অত্যাৱশ্যকীয়। এই উপাদানবোৰে বিভিন্ন বিষয়ক্ষেত্ৰ সামৰি ল'ব আৰু ভাৰতৰ উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য, সমতাবাদ, গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতা, লিঙ্গবোৰৰ মাজত সমতা, পৰিৱেশৰ সুৰক্ষা, সামাজিক অৱৰোধৰ অপসাৰণ, সৰু একোটা পৰিয়ালৰ নিয়ম পালন আৰু হৃদয়ত বৈজ্ঞানিক মানসিকতাৰ নিবিষ্টকৰণৰ দৰে প্ৰমূল্যসমূহৰ উত্তৰণৰ বাবে এই উপাদানবোৰৰ অভিকল্পনা কৰা হ'ব। ধৰ্মনিৰপেক্ষ প্ৰমূল্যসমূহৰ কঠোৰ অনুসৰণ সুনিশ্চিত কৰি আটাইবোৰ শৈক্ষিক কাৰ্যসূচী চলাই নিয়া হ'ব। গোটেই বিশ্বকে এটা মাত্ৰ পৰিয়াল বুলি জ্ঞান কৰি ভাৰতে সদায়ে শান্তি আৰু ৰাষ্ট্ৰসমূহৰ মাজত বুজাবুজিৰ বাবে কাম কৰি আহিছে। এই সুপ্ৰাচীন পৰম্পৰাৰ সৈতে প্ৰকৃত সামঞ্জস্য ৰক্ষা কৰি, শিক্ষাই এই বিশ্ব-দৰ্শনক শক্তিশালী কৰিব লাগিব আৰু তৰুণ প্ৰজন্মসমূহক আন্তঃৰাষ্ট্ৰীয় সহযোগিতা তথা শান্তিপূৰ্ণ সহ-অৱস্থানৰ বাবে অনুপ্ৰাণিত কৰিব লাগিব। এই দিশটোক আওকাণ কৰিব নোৱাৰি। সমতাৰ উত্তৰণৰ বাবে, সকলোকে সমান সুবিধা প্ৰদান কৰাৰ প্ৰয়োজন আছে, কেৱল প্ৰৱেশাধিকাৰৰ প্ৰশ্নতেই নহয়, লগতে সাফল্যৰ চৰ্তাৱলীৰ ক্ষেত্ৰতো। তদুপৰি, এই মৰ্মাংশ পাঠ্যক্ৰমৰ জৰিয়তে সকলোৰে মাজত সমতাৰ অন্তৰ্নিহিত ভাবৰ প্ৰতি সচেতনতা গঢ়ি তোলা হ'ব। ইয়াৰ উদ্দেশ্য হৈছে সামাজিক পৰিৱেশ তথা জন্মৰ দুৰ্ঘটনাৰ জৰিয়তে সৰবৰাহ কৰা পূৰ্বসংস্কাৰ আৰু মনোবিকৃতিসমূহ অপসাৰণ কৰা।

ভাৰতৰ শিক্ষা পদ্ধতিৰ ক্ষেত্ৰত তলত দিয়া কোনটো **সত্য নহয়**?

1. ৰাষ্ট্ৰীয় পৰিচয়ৰ প্ৰতিপালনৰ বাবে সাংবিধানিক বাধ্যবাধকতাৰ দৰে বিষয়বস্তু হ'ল অত্যাৱশ্যকীয়।
2. ধৰ্মনিৰপেক্ষ প্ৰমূল্যসমূহৰ কঠোৰ অনুসৰণ সুনিশ্চিত কৰি আটাইবোৰ শৈক্ষিক কাৰ্যসূচী চলাই নিয়া হয়।
3. ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিয়ে এটা উমৈহতীয়া মৰ্মাংশৰ সৈতে শিথিল উপাংশসমূহ প্ৰদান কৰে।
4. শিক্ষাৰ ক্ষেত্ৰত সমতাৰ অৰ্থ হ'ল কেৱল প্ৰৱেশাধিকাৰৰ প্ৰশ্নতহে সমান সুযোগ প্ৰদান কৰা।

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

6 1606 4.0 1.00

**তলত দিয়া উদ্ধৃত অংশটো পঢ়ক আৰু প্ৰশ্নৰ উত্তৰ দিয়ক।**

ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিৰ ভিত্তি হ'ব এটা ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সম্পৰ্কীয় পৰিগাঁথনি, য'ত থাকে এটা উমৈহতীয়া মৰ্মাংশ আৰু লগতে থাকে আন উপাংশসমূহ যিবোৰ হ'ল শিথিল। উমৈহতীয়া মৰ্মাংশত সন্নিৱিষ্ট কৰা হ'ব ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস, সাংবিধানিক বাধ্যবাধকতাসমূহ আৰু আন সেইবোৰ বিষয়বস্তু যিবোৰ হ'ল ৰাষ্ট্ৰীয় পৰিচয়ৰ প্ৰতিপালনৰ বাবে অত্যাৱশ্যকীয়। এই উপাদানবোৰে বিভিন্ন বিষয়ক্ষেত্ৰ সামৰি ল'ব আৰু ভাৰতৰ উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য, সমতাবাদ, গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতা, লিঙ্গবোৰৰ মাজত সমতা, পৰিৱেশৰ সুৰক্ষা, সামাজিক অৱৰোধৰ অপসাৰণ, সৰু একোটা পৰিয়ালৰ নিয়ম পালন আৰু হৃদয়ত বৈজ্ঞানিক মানসিকতাৰ নিবিষ্টকৰণৰ দৰে প্ৰমূল্যসমূহৰ উত্তৰণৰ বাবে এই উপাদানবোৰৰ অভিকল্পনা কৰা হ'ব। ধৰ্মনিৰপেক্ষ প্ৰমূল্যসমূহৰ কঠোৰ অনুসৰণ সুনিশ্চিত কৰি আটাইবোৰ শৈক্ষিক কাৰ্যসূচী চলাই নিয়া হ'ব। গোটেই বিশ্বকে এটা মাত্ৰ পৰিয়াল বুলি জ্ঞান কৰি ভাৰতে সদায়ে শান্তি আৰু ৰাষ্ট্ৰসমূহৰ মাজত বুজাবুজিৰ বাবে কাম কৰি আহিছে। এই সুপ্ৰাচীন পৰম্পৰাৰ সৈতে প্ৰকৃত সামঞ্জস্য ৰক্ষা কৰি, শিক্ষাই এই বিশ্ব-দৰ্শনক শক্তিশালী কৰিব লাগিব আৰু তৰুণ প্ৰজন্মসমূহক আন্তঃৰাষ্ট্ৰীয় সহযোগিতা তথা শান্তিপূৰ্ণ সহ-অৱস্থানৰ বাবে অনুপ্ৰাণিত কৰিব লাগিব। এই দিশটোক আওকাণ কৰিব নোৱাৰি। সমতাৰ উত্তৰণৰ বাবে, সকলোকে সমান সুবিধা প্ৰদান কৰাৰ প্ৰয়োজন আছে, কেৱল প্ৰৱেশাধিকাৰৰ প্ৰশ্নতেই নহয়, লগতে সাফল্যৰ চৰ্তাৱলীৰ ক্ষেত্ৰতো। তদুপৰি, এই মৰ্মাংশ পাঠ্যক্ৰমৰ জৰিয়তে সকলোৰে মাজত সমতাৰ অন্তৰ্নিহিত ভাৱৰ প্ৰতি সচেতনতা গঢ়ি তোলা হ'ব। ইয়াৰ উদ্দেশ্য হৈছে সামাজিক পৰিৱেশ তথা জন্মৰ দুৰ্ঘটনাৰ জৰিয়তে সৰবৰাহ কৰা পূৰ্বসংস্কাৰ আৰু মনোবিকৃতিসমূহ অপসাৰণ কৰা।

ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিত তলত দিয়া প্ৰমূল্যসমূহৰ ভিতৰত কোনকেইটাৰ বিকাশ ঘটাব লাগিব?

A. ভাৰতৰ উমৈহতীয়া সাংস্কৃতিক ঐতিহ্যৰ উত্তৰণ

B. সমতাবাদ

C. লিঙ্গবোৰৰ মাজত অসমতা

D. সামাজিক অৱৰোধসমূহৰ ৰক্ষণাবেক্ষণ

E. হৃদয়ত বৈজ্ঞানিক মানসিকতাৰ নিবিষ্টকৰণ

তলত দিয়া বিকল্পসমূহৰ পৰা **শুদ্ধ** উত্তৰটো বাছনি কৰকঃ

1. কেৱল A, B আৰু E
2. কেৱল B, C আৰু E
3. কেৱল A, D আৰু E
4. কেৱল B, C আৰু D

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| | | | | |
|---|---|---|---|---|
| 7 | 1607 | | 4.0 | 1.00 |

**তলত দিয়া উদ্ধৃত অংশটো পঢ়ক আৰু প্ৰশ্নৰ উত্তৰ দিয়ক।**

ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিৰ ভিত্তি হ'ব এটা ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সম্পৰ্কীয় পৰিগাঁথনি, য'ত থাকে এটা উমৈহতীয়া মৰ্মাংশ আৰু লগতে থাকে আন উপাংশসমূহ যিবোৰ হ'ল শিথিল। উমৈহতীয়া মৰ্মাংশত সন্নিৱিষ্ট কৰা হ'ব ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস, সাংবিধানিক বাধ্যবাধকতাসমূহ আৰু আন সেইবোৰ বিষয়বস্তু যিবোৰ হ'ল ৰাষ্ট্ৰীয় পৰিচয়ৰ প্ৰতিপালনৰ বাবে অত্যাৱশ্যকীয়। এই উপাদানবোৰে বিভিন্ন বিষয়ক্ষেত্ৰ সামৰি ল'ব আৰু ভাৰতৰ উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য, সমতাবাদ, গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতা, লিঙ্গবোৰৰ মাজত সমতা, পৰিৱেশৰ সুৰক্ষা, সামাজিক অৱৰোধৰ অপসাৰণ, সৰু একোটা পৰিয়ালৰ নিয়ম পালন আৰু হৃদয়ত বৈজ্ঞানিক মানসিকতাৰ নিবিষ্টকৰণৰ দৰে প্ৰমূল্যসমূহৰ উত্তৰণৰ বাবে এই উপাদানবোৰৰ অভিকল্পনা কৰা হ'ব। ধৰ্মনিৰপেক্ষ প্ৰমূল্যসমূহৰ কঠোৰ অনুসৰণ সুনিশ্চিত কৰি আটাইবোৰ শৈক্ষিক কাৰ্যসূচী চলাই নিয়া হ'ব। গোটেই বিশ্বকে এটা মাত্ৰ পৰিয়াল বুলি জ্ঞান কৰি ভাৰতে সদায়ে শান্তি আৰু ৰাষ্ট্ৰসমূহৰ মাজত বুজাবুজিৰ বাবে কাম কৰি আহিছে। এই সুপ্ৰাচীন পৰম্পৰাৰ সৈতে প্ৰকৃত সামঞ্জস্য ৰক্ষা কৰি, শিক্ষাই এই বিশ্ব-দৰ্শনক শক্তিশালী কৰিব লাগিব আৰু তৰুণ প্ৰজন্মসমূহক আন্তঃৰাষ্ট্ৰীয় সহযোগিতা তথা শান্তিপূৰ্ণ সহ-অৱস্থানৰ বাবে অনুপ্ৰাণিত কৰিব লাগিব। এই দিশটোক আওকাণ কৰিব নোৱাৰি। সমতাৰ উত্তৰণৰ বাবে, সকলোকে সমান সুবিধা প্ৰদান কৰাৰ প্ৰয়োজন আছে, কেৱল প্ৰৱেশাধিকাৰৰ প্ৰশ্নতেই নহয়, লগতে সাফল্যৰ চৰ্তাৱলীৰ ক্ষেত্ৰতো। তদুপৰি, এই মৰ্মাংশ পাঠ্যক্ৰমৰ জৰিয়তে সকলোৰে মাজত সমতাৰ অন্তৰ্নিষ্ঠ ভাৱৰ প্ৰতি সচেতনতা গঢ়ি তোলা হ'ব। ইয়াৰ উদ্দেশ্য হৈছে সামাজিক পৰিৱেশ তথা জন্মৰ দুৰ্ঘটনাৰ জৰিয়তে সৰবৰাহ কৰা পূৰ্বসংস্কাৰ আৰু মনোবিকৃতিসমূহ অপসাৰণ কৰা।

তলত দিয়াবোৰৰ কোনটোৱে ভাৰতীয় শিক্ষাৰ বিশ্বজনীন প্ৰকৃতিৰ কথা ব্যাখ্যা কৰে?

1. ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ সন্নিৱিষ্টকৰণ।
2. তৰুণ প্ৰজন্মসমূহক শান্তিপূৰ্ণ সহ-অৱস্থানৰ বাবে অনুপ্ৰাণিত কৰা।
3. গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতাৰ উত্তৰণ।
4. সামাজিক পৰিৱেশৰ জৰিয়তে সৰবৰাহ কৰা পূৰ্বসংস্কাৰসমূহ অপসাৰণ কৰা।

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 8 | 1608 | | 4.0 | 1.00 |
|---|---|---|---|---|

____________নামৰ চলচ্চিত্ৰখনত দেখুওৱা হৈছে এগৰাকী এইচ্চআইভি পজিটিভ মহিলাই তেওঁৰ কৰ্মথলীত নিজৰ সন্মান লাভ কৰিবলৈ কৰা সংগ্ৰাম আৰু সংঘৰ্ষৰ কাহিনী।

1. দামিনী
2. দ'ৰ
3. কহানী
4. ফিৰ মিলেংগে

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

9 1609 4.0 1.00

**তালিকা I** মিলাওক **তালিকা II** ৰ সৈতে

| | **তালিকা I** | | **তালিকা II** |
|---|---|---|---|
| | **আত্মজীৱনী** | | **লেখক** |
| A. | প্লেয়িং ইট মাই ৱে | I. | ওম প্ৰকাশ বাল্মিকী |
| B. | উইংছ অৱ ফায়াৰ | II. | শচীন টেণ্ডুলকাৰ |
| C. | গ্ৰ'য়িং আপ আনটাচ্চেবল ইন ইণ্ডিয়া | III. | এ. পি. জে. আব্দুল কালাম |
| D. | জুথনঃ আ দলিতছ্ লাইফ | IV. | ৱসন্ত মুন |

তলত দিয়া বিকল্পসমূহৰ পৰা **শুদ্ধ** উত্তৰটো বাছনি কৰকঃ

(1) (A)-(I), (B)-(III), (C)-(IV), (D)-(II)
(2) (A)-(II), (B)-(I), (C)-(III), (D)-(IV)
(3) (A)-(IV), (B)-(II), (C)-(III), (D)-(I)
(4) (A)-(II), (B)-(III), (C)-(IV), (D)-(I)

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

10 1610 4.0 1.00

'জয় ভীম' নামৰ চলচ্চিত্ৰখনে কোনটো জনজাতিৰ সংগ্ৰামৰ ওপৰত আলোকপাত কৰিছে?

1. কোড়াবা জনজাতি
2. ভূটীয়া জনজাতি
3. ইৰুলা জনজাতি
4. জয়ন্তীয়া জনজাতি

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

11 1611 4.0 1.00

এগৰাকী ব্যক্তিৰ একোটা প্ৰাকৃতিক পৰিঘটনা সমালোচনাত্মক মনোভাৱেৰে পৰ্যৱেক্ষণ কৰা, বৰ্ণনা কৰা, ব্যাখ্যা কৰা আৰু ভৱিষ্যদ্বাণী কৰাৰ সামৰ্থ আছে। এই সামৰ্থৰ নাম হ'ল ___________।

1. বৈজ্ঞানিক মানসিকতা
2. বৈজ্ঞানিক অনুসন্ধান
3. বৈজ্ঞানিক সাক্ষৰতা
4. বৈজ্ঞানিক দৃষ্টিভঙ্গী

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

12 1612 4.0 1.00

ভাৰতীয় ঔষধবিজ্ঞানীয় উদ্যোগৰ জনক হ'ল ___________।

1. শ্ৰীনিবাস ৰামানুজন
2. জগদীশ চন্দ্ৰ বসু
3. প্ৰফুল্ল চন্দ্ৰ ৰয়
4. ছাৰ চি. ভি. ৰামন

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

13 1613 4.0 1.00

তলত দিয়াবোৰৰ ভিতৰত কোনটো শিশুসকলে তেওঁলোকৰ মাজত হাতে-কামে কৰি পোৱা অভিজ্ঞতাৰ এটা পোনপটীয়া উদাহৰণ?

1. বিদ্যাৰ্থীৰ এটা গোটে এখন পাঠ্যপুথি আলোচনা কৰি আছে
2. ষষ্ঠ শ্ৰেণীত পঢ়ি থকা ৰামু আৰু ৰবীয়ে সা-সামগ্ৰী আৰু যন্ত্ৰ-পাতি লৈ সম্পৰীক্ষা কৰি আছে
3. শ্ৰেণীটোৰ এটা গোটে বিজ্ঞান কাৰ্যসূচী বিষয়ক এটা ইউটিউব ভিডিঅ' চাই আছে
4. সীমাই এখন সংচিত্ৰত বিজ্ঞানৰ এটা নক্সা পৰ্যৱেক্ষণ কৰি আছে

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| | | | | |
|---|---|---|---|---|
| 14 | 1614 | নিগমনাত্মক যুক্তিপ্ৰদৰ্শন হ'ল এটা যুক্তিপ্ৰদৰ্শন যাৰ ভিত্তি হ'ল ___________ ।<br>1. সত্য<br>2. যুক্তি<br>3. কাৰ্যকলাপ<br>4. পদ্ধতি<br>A1 : 1<br>A2 : 2<br>A3 : 3<br>A4 : 4 | 4.0 | 1.00 |
| Objective Question | | | | |
| 15 | 1615 | তলত দিয়া কোনটো সংখ্যাক এটা ৰামানুজনৰ সংখ্যা বুলি জনা যায়?<br>1. 1829<br>2. 1729<br>3. 1279<br>4. 1927<br>A1 : 1<br>A2 : 2<br>A3 : 3<br>A4 : 4 | 4.0 | 1.00 |
| Objective Question | | | | |
| 16 | 1616 | তলত দিয়া চিত্ৰটো চাই 2 ৰ পৰা 4 বছৰ বয়সীয়া এটি শিশুৱে দ্বিতীয় শাৰীটোত বেছি বস্তু থকা বুলি ক'ব। ইয়াৰ কাৰণ কি হ'ব?<br>1. শিশুটিৰ এতিয়াও সংখ্যাৰ সংৰক্ষণ ক্ষমতা বিকশিত হোৱা নাই<br>2. শিশুটিয়ে বস্তুবোৰৰ চাৰিত্ৰিক লক্ষণবোৰ চাবলৈ সমৰ্থ হোৱা নাই<br>3. শিশুটিয়ে সংখ্যাবোৰ গণনা কৰিবলৈ সমৰ্থ হোৱা নাই<br>4. শিশুটিৰ আছে সংখ্যাৰ প্ৰতি ভীতি<br>A1 : 1<br>A2 : 2<br>A3 : 3<br>A4 : 4 | 4.0 | 1.00 |
| Objective Question | | | | |
| 17 | 1617 | | 4.0 | 1.00 |

তলত দিয়া কোনটো কাৰ্যকৰী শিক্ষাদানৰ এটা অভিবৃত্তি হোৱা উচিত **নহয়** ?

1. খেলাৰ মাজেদি শিক্ষাদান পদ্ধতি
2. সংবেদনশীল হৈ বিবিধতা গ্ৰহণ কৰা
3. দায়িত্ব আনলৈ ঠেলি দিয়া
4. সৃষ্টিশীলতাক উদগণি জনোৱা

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 18 | 1618 | | 4.0 | 1.00 |
|---|---|---|---|---|

তলত দিয়া কোনটো এটা শিল্প কাৰ্যকলাপ **নহয়** ?

1. বয়ন
2. চিত্ৰাংকন
3. কাগজৰ মুখা
4. ক'লাজ

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 19 | 1619 | | 4.0 | 1.00 |
|---|---|---|---|---|

তলত দিয়া ভাৰতীয় চিত্ৰকৰ্মবোৰ সঠিক সময়ানুক্ৰমত সজাওকঃ

A. কাংৰা

B. গাড়ৱাল

C. বংগ

D. অজন্তা

তলত দিয়া বিকল্পসমূহৰ পৰা **শুদ্ধ** উত্তৰটো বাছনি কৰকঃ

(1) (A), (B), (C), (D)

(2) (D), (A), (B), (C)

(3) (D), (C), (B), (A)

(4) (C), (B), (A), (D)

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

20 1620 4.0 1.00

যিজোপা গছৰ তলত বহি বুদ্ধই প্ৰজ্ঞা লাভ কৰিছিল সেই ___________ গছজোপাই সমগ্ৰ ব্ৰহ্মাণ্ডৰ প্ৰতীকী অৰ্থ বহন কৰে।

1. মহাবাতা
2. অশ্বথা
3. কাদম্ব
4. পাৰিজাত

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

21 1621 4.0 1.00

স্কুলীয়া শিক্ষাৰ তলত দিয়া কোনছোৰা কালত, দৰ্শনশাস্ত্ৰ, মনোবিজ্ঞান, সমাজবিজ্ঞান, আৰু নৃবিজ্ঞানৰ দৰে বিষয়বোৰৰ শিক্ষাদান আৰম্ভ কৰা হয়?

1. প্ৰাথমিক পৰ্যায় (ক্লাছ 1-5)
2. মজলীয়া পৰ্যায় (ক্লাছ 6-8)
3. মাধ্যমিক পৰ্যায় (ক্লাছ 9-10)
4. জ্যেষ্ঠ মাধ্যমিক পৰ্যায় (ক্লাছ 11-12)

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

22 1622 4.0 1.00

এটি শিশুৰ "পঞ্চকোষ বিকাশ" এই শব্দসমষ্টিয়ে বুজায় 5 টা তৰপত হোৱা শিশুটিৰ বিকাশ। এইকেইটা সঠিক অনুক্রমত সজাওক।

A. অন্নময় কোষ

B. মনোময় কোষ

C. আনন্দময় কোষ

D. বিজ্ঞানময় কোষ

E. প্ৰাণময় কোষ

তলত দিয়া বিকল্পসমূহৰ পৰা **শুদ্ধ** উত্তৰটো বাছনি কৰকঃ

(1) (C), (D), (A), (B), (E)

(2) (A), (E), (B), (D), (C)

(3) (A), (D), (E), (C), (B)

(4) (C), (E), (B), (A), (D)

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 23 | 1623 | | 4.0 | 1.00 |
|---|---|---|---|---|

স্কুলত এটা বিষয় হিচাপে, সমাজ বিজ্ঞানে চকুত লগাকৈ বিষয়বস্তু আহৰণ কৰেঃ

A. ইতিহাস বিষয়ৰ পৰা

B. ভূগোল বিষয়ৰ পৰা

C. ৰাজনৈতিক বিজ্ঞান বিষয়ৰ পৰা

D. বাণিজ্য বিষয়ৰ পৰা

E. অংকশাস্ত্ৰ বিষয়ৰ পৰা

তলত দিয়া বিকল্পসমূহৰ পৰা **শুদ্ধ** উত্তৰটো বাছনি কৰকঃ

1. কেৱল A, B আৰু C
2. কেৱল B, C আৰু E
3. কেৱল A,C আৰু D
4. কেৱল A, B আৰু E

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 24 | 1624 | | 4.0 | 1.00 |
|---|---|---|---|---|

**তালিকা I** মিলাওক **তালিকা II** ৰ সৈতে

| তালিকা I | | তালিকা II | |
|---|---|---|---|
| **স্কুলীয়া শিক্ষাৰ পৰ্যায়** | | **সমাজ বিজ্ঞানত থকা বিষয়বোৰৰ প্ৰকৃতি** | |
| A. | ক্লাছ 3-5 | I. | এটা বাছনি-ভিত্তিক বিকল্প হিচাপে সমাজ বিজ্ঞান |
| B. | ক্লাছ 6-8 | II. | পৃথক বিষয় হিচাপে ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতি বিজ্ঞান |
| C. | ক্লাছ 9-10 | III. | আমাৰ কেউকাষে থকা পৃথিৱীখন |
| D. | ক্লাছ 11-12 | IV. | এটা স্কুলীয়া বিষয় হিচাপে সমাজ বিজ্ঞান |

তলত দিয়া বিকল্পসমূহৰ পৰা **শুদ্ধ** উত্তৰটো বাছনি কৰকঃ

(1) (A)-(IV), (B)-(II), (C)-(I), (D)-(III)
(2) (A)-(I), (B)-(III), (C)-(IV), (D)-(II)
(3) (A)-(III), (B)-(IV), (C)-(II), (D)-(I)
(4) (A)-(III), (B)-(I), (C)-(II), (D)-(IV)

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

25 1625 4.0 1.00

**তালিকা I** মিলাওক **তালিকা II** ৰ সৈতে

| তালিকা I | | তালিকা II | |
|---|---|---|---|
| A. | আত্মজীৱনী | I. | ভ্ৰমণৰ বিষয়ে লিখা এটা লেখনি |
| B. | জীৱনী | II. | এগৰাকী ব্যক্তিয়ে তেওঁৰ নিজৰ জীৱনৰ বিষয়ে লিখা কাহিনী |
| C. | পত্ৰিকা | III. | আন কোনোবাই এগৰাকী ব্যক্তিৰ জীৱনৰ বিষয়ে লিখা কাহিনী |
| D. | ভ্ৰমণকাহিনী | IV. | এখন বাতৰিকাকত বা এখন আলোচনী |

তলত দিয়া বিকল্পসমূহৰ পৰা **শুদ্ধ** উত্তৰটো বাছনি কৰকঃ

(1) (A)-(II), (B)-(III), (C)-(I), (D)-(IV)
(2) (A)-(III), (B)-(II), (C)-(I), (D)-(IV)
(3) (A)-(III), (B)-(II), (C)-(IV), (D)-(I)
(4) (A)-(II), (B)-(III), (C)-(IV), (D)-(I)

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

26 1626 4.0 1.00

কোনখন ভাৰতীয় গ্ৰন্থ 2024 চনত 'ইউনেস্কো মেম'ৰি বুক অৱ দ্য ৱৰ্ল্ড'ত অন্তৰ্ভুক্ত কৰা হয়?

1. ৰামচৰিতমানস
2. মহাভাৰত
3. ভাগৱত পুৰাণ
4. অভিজ্ঞান শকুন্তলম

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 27 | 1627 | | 4.0 | 1.00 |
|---|---|---|---|---|

তলত দিয়া কোনটো সাহিত্যৰ জৰিয়তে ভাষা শিকনত কিছুমান বিদ্যাৰ্থীয়ে সমুখীন হোৱা এটা সমস্যা নহয়?

1. মৌলিক উচ্চাৰণ আৰু ব্যাকৰণত হোৱা ভুল
2. সীমিত শব্দভাণ্ডাৰ
3. সাহিত্য যি অতিশয় সান্দৰ্ভিক
4. ভাষাত উচ্চ কুশলতা

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 28 | 1628 | | 4.0 | 1.00 |
|---|---|---|---|---|

এটা মেছিনৰ মূল্যৰ প্ৰতিবছৰেত 10% হাৰত অৱস্থায় ঘটে। এইটো 3 বছৰ আগতে কিনা হৈছিল। যদি ইয়াৰ বৰ্তমান মূল্য 8748 টকা হয়, তেন্তে ইয়াৰ কিনাদাম আছিল ঃ

(1) 10,000 টকা
(2) 11,000 টকা
(3) 12,000 টকা
(4) 15,000 টকা

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| | | | | |
|---|---|---|---|---|
| 29 | 1629 | বছৰি একে হাৰত সৰলসুত প্ৰদানকাৰীৰ দুটা বেংকত ৰাহুলে একে পৰিমাণৰ মূলধন জমা ৰাখিছিল। তেওঁন্ত 3 বছৰ পিছত প্ৰথম বেংকৰপৰা 11,800 টকা পায়ছিল আৰু দ্বিতীয় বেংকৰপৰা 5 বছৰ পিছত 13,000 টকা পাইছিল। তেওঁ দুয়োটা বেংকত মুঠ কিমান টকা জমা থৈছিল? <br> (1) 15,000 টকা <br> (2) 20,000 টকা <br> (3) 25,000 টকা <br> (4) 40,000 টকা <br> A1 : 1 <br> A2 : 2 <br> A3 : 3 <br> A4 : 4 | 4.0 | 1.00 |
| Objective Question | | | | |
| 30 | 1630 | এটা ক্লাৱত M সংখ্যক সদস্য আছে যিসকলৰ গড় বয়স 26 বছৰ। ক্লাৱটোত আৰু 3 জন সদস্য যোগ দিয়াৰ পিছত সদস্যসকলৰ গড় বয়স 1 বছৰ বৃদ্ধি পালে। যদি এই 3 জন নতুন সদস্যৰ যোগ দিয়াত গড় বয়স 29 বছৰ হয়, তেন্তে M ৰ মান নিৰ্ণয় কৰা? <br> (1) 3 <br> (2) 4 <br> (3) 5 <br> (4) 6 <br> A1 : 1 <br> A2 : 2 <br> A3 : 3 <br> A4 : 4 | 4.0 | 1.00 |
| Objective Question | | | | |
| 31 | 1631 | অজয়ে তেওঁৰ তিনিজন পুত্ৰ অমন, ভানু আৰু চন্দনৰ মাজত 11,70,000 টকা $\frac{1}{2} : \frac{1}{3} : \frac{1}{4}$ অনুপাতত ভাগ কৰিব বুলি ভাবিছিল। কিন্তু ভুলক্ৰমে সেই টকাখিনি তেওঁ পুত্ৰ তিনিজনৰ মাজত 2 : 3 : 4 অনুপাতত ভগালে। তিনিওজনৰ মাজত কৰে আটাইতকৈ বেছি লাভ হ'ল আৰু কিমান পৰিমাণে? <br> (1) চন্দন, 2,50,000 টকা <br> (2) ভানু, 1,93,000 টকা <br> (3) ভানু, 2,00,000 টকা <br> (4) চন্দন, 1,80,000 টকা <br> A1 : 1 <br> A2 : 2 <br> A3 : 3 | 4.0 | 1.00 |

A4 : 4

Objective Question

32 | 1632 | 4.0 | 1.00

P আৰু Q য়ে মিলি এটা কাম 30 দিনত কৰিব পাৰে। সিহঁতে একেলগে 20 দিন কাম কৰাৰ পিছত Q য়ে কামটো এৰি দিলে। তাৰ পিছত আৰু 20 দিনত P য়ে অৱশিষ্ট কামখিনি সম্পূৰ্ণ কৰে। P য়ে অকলে কিমানদিনত কামটো সম্পূৰ্ণ কৰিব পাৰে?

(1) 30 দিনত
(2) 25 দিনত
(3) 50 দিনত
(4) 60 দিনত

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

33 | 1633 | 4.0 | 1.00

সমান মিশ্ৰণযুক্ত তিনিটা পাত্ৰত গাখীৰ আৰু পানীৰ অনুপাত ক্ৰমে 1 : 2, 3 : 4 আৰু 5 : 6। তিনিওটা পাত্ৰৰ মিশ্ৰণখিনি একেলগে মিহলি কৰা হ'ল। তেন্তে নতুন মিশ্ৰণটোত গাখীৰ আৰু পানীৰ অনুপাত হ'ব ঃ

(1) 101 : 103
(2) 281 : 412
(3) 181 : 112
(4) 3 : 4

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

34 | 1634 | 4.0 | 1.00

এটা ব্যৱসায়ত A আৰু B য়ে 3 : 2 অনুপাতত মূলধন বিনিয়োগ কৰে, য'তনেকি A আৰু C য়ে 1 : 5 অনুপাতত বিনিয়োগ কৰিলে। যদি বাৰ্ষিক লাভ 44,000 টকা হয়, তেন্তে লাভত B ৰ অংশ হ'ব ঃ

(1) 4,000 টকা
(2) 4,500 টকা
(3) 4,400 টকা
(4) 5,000 টকা

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 35 | 1635 | এটা চকাৰ ব্যাসাৰ্ধ 21 cm । চকাটোৱে 660 মিটাৰ অতিক্ৰম কৰোঁতে কিমানটা পাক ঘূৰিব লাগিব? $\left(\pi = \frac{22}{7}\right)$<br>(1) 500<br>(2) 600<br>(3) 700<br>(4) 800<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |
|---|---|---|---|---|

Objective Question

| 36 | 1636 | 2003 চনৰ 11 অক্টোবৰত উজমাৰ জন্মদিন আছিল আৰু সিদিনা শনিবাৰ আছিল। যদি তেওঁৰ স্বামীৰ জন্মদিন 2003 চনৰ 16 ডিছেম্বৰ হয়, তেন্তে সিদিনা কিবাৰ আছিল?<br>(1) মংগলবাৰ<br>(2) ৰবিবাৰ<br>(3) শুক্ৰবাৰ<br>(4) বুধবাৰ<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |
|---|---|---|---|---|

Objective Question

| 37 | 1637 | যদি কোনো এটা সাংকেতিক ভাষাত 'ELEPHANT' ক 'FNHTMGUB' হিচাপে লিখা হয়, তেন্তে সেই সাংকেতিক ভাষাত 'CROCODILE' ক কি হিচাপে লিখা যাব?<br>(1) DTRGTIPSM<br>(2) DTRGRIOSM<br>(3) DTRFRJPTN<br>(4) DTRGTJPTN<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |
|---|---|---|---|---|

Objective Question

38 1638 4.0 1.00

প্ৰদত্ত উক্তিবোৰক সত্য বুলি ধৰিবা আলক সাধাৰণ জ্ঞানৰপৰা সিবোৰ যদি ব্যতিক্ৰম হয়। তাৰপিছত নিম্নোক্ত সিদ্ধান্তবোৰৰ কোনটাৰে/কোনবোৰে প্ৰদত্ত উক্তিবোৰক যুক্তিপূৰ্ণভাৱে সনুসৰণ কৰে, সেয়া নিৰ্ণয় কৰি শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ ঃ

**উক্তি ঃ**

কিছুমান মুগা বগা হয়।

সকলো বগা ক'লা হয়।

কিছুমান ক'লা নীলা হয়।

**সিদ্ধান্ত ঃ**

I. কোনো মুগা নীলা নহয়।

II. কিছুমান মুগা ক'লা হয়।

(1) কেৱল **সিদ্ধান্ত I** এ অনুসৰণ কৰে।

(2) কেৱল **সিদ্ধান্ত II** এ অনুসৰণ কৰে।

(3) **সিদ্ধান্ত I** বা **সিদ্ধান্ত II** এ অনুসৰণ কৰে।

(4) **সিদ্ধান্ত I** আৰু **সিদ্ধান্ত II** উভয়ে অনুসৰণ কৰে।

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

39 1639 4.0 1.00

তলত দিয়া বৰ্ণ-সংখ্যা শৃংখলটোত প্ৰশ্নবোধক (?) চিহ্নৰ স্থানত কি বহিব?

VU1, RQ2, NM4, JI6, ?, BA12

(1) FE8

(2) EF10

(3) FE10

(4) EF8

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

40 1640 4.0 1.00

A হ'ল C ৰ দেউতাক, C হ'ল D ৰ ভায়েক, F য়ে D ক বিয়া পাতিছে। E হ'ল G ৰ খুৰী। B ৰ একমাত্ৰ পুতেক হ'ল F। F ৰ ভনীয়েজ হ'ল E। তেন্তে G-ৰ সৈতে A-ৰ সম্পৰ্ক কি?

(1) দেউতাকৰ ঘালৰ বাবা বা পিতামহ

(2) মাকৰ ঘালৰ বাবা বা মাতামহ

(3) কাজিন (কুটুম্ব ভাই)

(4) মামা

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 41 | 1641 | যেতিয়া ঘড়ীত 5 : 20 সময় হয়, তেতিয়া ঘন্টাৰ কাঁটা আৰু মিনিটৰ কাঁটাৰ মাজত উৎপন্ন হোৱা সূক্ষ্মকোণটোৰ মান কিমান?<br>(1) 40°<br>(2) 30°<br>(3) 36°<br>(4) 44°<br><br>A1 : 1<br>A2 : 2<br>A3 : 3<br>A4 : 4 | 4.0 | 1.00 |
|---|---|---|---|---|

Objective Question

| 42 | 1642 | তলৰ সংখ্যাশ্ৰেণীটো ভালকৈ লক্ষ্য কৰা আৰু তলত দিয়া প্ৰশ্নটোৰ উত্তৰ দিয়া ঃ<br>2 3 9 1 8 2 7 9 5 4 2 7 3 5 6 7 6 8 5 6 8<br>ওপাৰৰ সংখ্যাশ্ৰেণীটোত তেনেকুৱা কিমানটা মৌলিক সংখ্যা আছে যাৰ প্ৰত্যকৰে ঠিক পিছত একোটাকৈ যুগ্ম সংখ্যা আছে?<br>(1) ছয়টা<br>(2) তিনিটা<br>(3) চাৰিটা<br>(4) পাঁচটা<br><br>A1 : 1<br>A2 : 2<br>A3 : 3<br>A4 : 4 | 4.0 | 1.00 |
|---|---|---|---|---|

Objective Question

| 43 | 1643 | X M O P : 23 : : V T N G : _?_<br>প্ৰদত্ত সাদৃশ্যটোত তলৰ কোনটো বিকল্প প্ৰশ্নবোধক চিহ্ন (?) ৰ ঠাইত বহিব?<br>(1) 18<br>(2) 35<br>(3) 17<br>(4) 21 | 4.0 | 1.00 |
|---|---|---|---|---|

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| | | | | |
|---|---|---|---|---|
| 44 | 1644 | প্ৰথম গৰাকী দাদা-চাহেব ফালকে বটা বিজয়ী কোন আছিল?<br>(1) দেৱীকা ৰানী<br>(2) অশোক কুমাৰ<br>(3) দিলীপ কুমাৰ<br>(4) নাৰ্গিছ<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |

Objective Question

| | | | | |
|---|---|---|---|---|
| 45 | 1645 | স্বেচ্ছাসেৱী/সম্প্ৰদায় সেৱাৰ জড়িয়তে যুবসমাজৰ ব্যক্তিত্ব আৰু চৰিত্ৰ বিকাশৰ উদ্দেশেত 1969 চনত প্ৰৱৰ্তন কাৰণ NSS (ৰাষ্ট্ৰীয় সেৱা আঁচনি) ৰ মূল শ্লোগান কি?<br>(1) ম'ই নহয়, কিন্তু তুমি<br>(2) কেম্পাছ আৰু কমিনিউটি (চৌহদ আৰু সম্প্ৰদায়)<br>(3) ৰাষ্ট্ৰীয় যুৱ সশক্তিকৰণ<br>(4) ঐক্য আৰু শৃংখলাবোধ<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |

Objective Question

| | | | | |
|---|---|---|---|---|
| 46 | 1646 | ভাৰতৰ সংবিধানৰ কোনটো অনুচ্ছেদে অস্পৃশ্যতা নিৰ্মূল কৰিছে?<br>(1) 17 নং অনুচ্ছেদ<br>(2) 19 নং অনুচ্ছেদ<br>(3) 21 নং অনুচ্ছেদ<br>(4) 25 নং অনুচ্ছেদ<br><br>A1 : 1 | 4.0 | 1.00 |

A2 : 2

A3 : 3

A4 : 4

Objective Question

| 47 | 1647 | তলৰ কোনটো খণ্ডৰ সৈতে PM-MITRA আঁচনি জড়িত হৈ আছে?<br>(1) কৃষি খণ্ড<br>(2) মৃত্তিকা খণ্ড<br>(3) বস্ত্ৰ খণ্ড<br>(4) পৰিবহন খণ্ড<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |
|---|---|---|---|---|

Objective Question

| 48 | 1648 | তলৰ কোনখন চহৰত 'South Asian Youth Table Tennis Championship 2023' প্ৰতিযোগিতাখন অনুষ্ঠিত হৈছিল?<br>(1) ভূবনেশ্বৰ<br>(2) কলিকতা<br>(3) গুৱাহাটী<br>(4) ইটানগৰ<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |
|---|---|---|---|---|

Objective Question

| 49 | 1649 | 'এছিয় সিংহ' তলৰ কোনখন ৰাষ্ট্ৰীয় উদ্যানত পোৱা যায়?<br>(1) ৰাণথাম্বোৰ ৰাষ্ট্ৰীয় উদ্যান<br>(2) কজিৰঙা ৰাষ্ট্ৰীয় উদ্যান<br>(3) পেৰিয়াৰ ৰাষ্ট্ৰীয় উদ্যান<br>(4) গিৰ ৰাষ্ট্ৰীয় উদ্যান<br><br>A1 : 1<br><br>A2 : 2 | 4.0 | 1.00 |
|---|---|---|---|---|

A3 : 3

A4 : 4

Objective Question

50 1650 4.0 1.00

‘পাল্ক প্ৰণালী (Palk Strait)’ আৰু ‘মান্নাৰ উপসাগৰৰ (Gulf of Mannar)’ৰ দ্বাৰা তলৰ কোনদুখন দেশক পৃথক হৈ আছে?

(1) ভাৰত আৰু পাকিস্তান

(2) ভাৰত আৰু শ্ৰীলংকা

(3) ভাৰত আৰু আফগানিস্থান

(4) ভাৰত আৰু বাংলাদেশ

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

51 1651 4.0 1.00

ফাৰেনহাইট স্কেলত 80° ছেলছিয়াছৰ মান হ'ব :

(1) 192°F

(2) 165°F

(3) 176°F

(4) 132°F

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

52 1652 4.0 1.00

তলত উল্লেখ কৰা বালনখন মহাসাগৰ ইংৰাজী ‘S’ ৰ আখৰটোৰ দৰে আকৃতিযুক্ত?

(1) আটলান্টিক মহাসাগৰ

(2) প্ৰশান্ত মহাসাগৰ

(3) উত্তৰ মহাসাগৰ

(4) দক্ষিণ মহাসাগৰ

A1 : 1

A2 : 2

A3 : 3

A4 : 4

Objective Question

| | | | | |
|---|---|---|---|---|
| 53 | 1653 | 2023 চনত শান্তিৰ ন'বৈল বঁটা তলৰ কোন গৰাকী ব্যক্তিয়ে লাভ কৰিছে?<br>(1) নৰ্গেছ মহম্মদী<br>(2) মাৰিয়া ৰেছা<br>(3) নাদিয়া মুৰাড<br>(4) কৈলাশ সত্যাৰ্থী<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |

Objective Question

| | | | | |
|---|---|---|---|---|
| 54 | 1654 | উত্তৰৰপৰা দক্ষিণ দিশলৈ তলৰ নিউক্লিয়াৰ শক্তিকেন্দ্ৰবোৰ সজোৱাঁ।<br>(A) কাইগা (Kaiga)<br>(B) ৰাৱট ভাটা (Rawat bhata)<br>(C) নাৰোৰা (Narora)<br>(D) কক্ৰাপাৰ (Kakrapar)<br>নিম্নোক্ত বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা :<br>(1) (C), (B), (D), (A)<br>(2) (C), (B), (A), (D)<br>(3) (C), (A), (B), (D)<br>(4) (C), (D), (A), (B)<br><br>A1 : 1<br><br>A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | 4.0 | 1.00 |

Objective Question

| | | | | |
|---|---|---|---|---|
| 55 | 1655 | তলৰ কোনটো জন আন্দোলনৰ আগমুহূৰ্তত গান্ধীজীয়ে দেশবাসীন 'Do or Die' (কৰেঙ্গে য়া মৰেঙ্গে) মন্ত্ৰটো দিছিল?<br>(1) ৰাওলাট সত্যাগ্ৰহ<br>(2) লৱণ সত্যাগ্ৰহ<br>(3) ভাৰত ত্যাগ আন্দোলন<br>(4) অসহযোগ আন্দোলন<br><br>A1 : 1 | 4.0 | 1.00 |

| | | | | |
|---|---|---|---|---|
| | | A2 : 2<br><br>A3 : 3<br><br>A4 : 4 | | |